জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৬৫/২০২০

# অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ দ্বাৰা আয়োজিত গান্ধী জয়ন্তী অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## হিংসাই সমাজক দূৰ্বল কৰাৰ বিপৰীতে অহিংসাই সবল কৰে ঃ মুখ্যমন্ত্ৰী

## গান্ধীজীৰ অহিংস নীতিৰে শান্তিপূৰ্ণ আৰু শক্তিশালী সমাজ গঢ়াৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ দ্বাৰা ব'ৰ্ডৰ চান্দমাৰীস্থিত মুখ্য কাৰ্যালয়ত আয়োজিত গান্ধী জয়ন্তী উদ্‌যাপন অনুষ্ঠানত অংশ গ্ৰহণ কৰি জাতিৰ পিতা গৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গান্ধী জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰীয়ে অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত থকা গান্ধীজীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

এই উপলক্ষে আয়োজিত মুকলি সভাত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে গান্ধীজীয়ে অহিংসা নীতিৰে সমগ্ৰ মানৱ সমাজক উদ্বুদ্ধ কৰি যি আদৰ্শ প্ৰতিষ্ঠা কৰি গ'ল সেই আদৰ্শৰে আমি সকলোৰে বাট বুলিব লাগিব। জাতিৰ পিতা গৰাকীয়ে অহিংস নীতিৰে শক্তিশালী ইংৰাজৰ বিৰুদ্ধে দেশক নেতৃত্ব প্ৰদান কৰি ভাৰতবৰ্ষক স্বাধীন কৰিলে তথা ভাৰতবৰ্ষৰ স্বাভিমান ৰক্ষা কৰি ৰাষ্ট্ৰৰ শক্তি প্ৰদৰ্শন কৰাৰ যাত্ৰাৰ সূচনা কৰিলে। সেয়েহে বাপুজীৰ আদৰ্শৰে অসমৰ বুকুতো একতাৰ ভাৱনা জগাই তুলি কঠোৰ পৰিশ্ৰমেৰে আত্মনিৰ্ভৰশীল অসম গঢ়াৰ বাবে সকলোৰে এই পৰিব্ৰক্ষণত সংকল্পবদ্ধ হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। গান্ধীজীৰ স্বৰাজৰ আদৰ্শৰে ভাৰতবৰ্ষক সকলো দিশতে আত্মনিৰ্ভৰশীল কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই যাত্ৰাত সকলোকে চামিল হোৱাৰ বাবেও আহ্বান জনায়। খাদী বস্ত্ৰ কেৱল এখন সাধাৰণ বস্ত্ৰ নহয় বুলি উল্লেখ কৰি ইয়াৰ জৰিয়তে ভাৰতীয় জনগণৰ শক্তি আৰু সামৰ্থ শক্তিশালী ভাৱে প্ৰতিফলিত হয় বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ক'ভিড-১৯ সৃষ্ট লকডাউনৰ সময়ত যেতিয়া আমদানি-ৰপ্তানি বন্ধ হৈছিল সেই সময়ত নিজে নিজৰ শক্তিৰ দ্বাৰা কেনেদৰে পৰিচালিত হৈ আগুৱাই যাব লাগে সেই কথা ভাৰতবৰ্ষৰ জনসাধাৰণে ভালদৰে উপলব্ধি কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভোকেল ফৰ লোকেলৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই স্থানীয়ভাৱে উৎপাদিত সামগ্ৰীৰে বিশ্বৰ বুকুত শক্তিশালীভাৱে অৱতীৰ্ণ হোৱাৰ বাবে সকলোৰে মিলিত প্ৰয়াস চলাব লাগিব বুলিও কয়। মুখ্যমন্ত্ৰীয়ে অসম খাদী আৰু গ্ৰামোদ্যোগ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

ব'ৰ্ডে বিগত বছৰত উৎপাদনৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ বাবে ইয়াৰ বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰে। অসমক সকলো দিশৰে পৰা এখন চহকী ৰাজ্য বুলি উল্লেখ কৰি কঠোৰ পৰিশ্ৰম, সাধনা আৰু প্ৰৱল ইচ্ছাশক্তিৰে ৰাজ্যখনক সকলোৰে মিলি আগুৱাই নিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। হিংসাই সমাজক দুৰ্বল কৰাৰ বিপৰীতে অহিংসাই সবল কৰে বুলি উল্লেখ কৰি আজি বিশ্বৰ সমগ্ৰ মানৱ সমাজে গান্ধীজীৰ অহিংস নীতিক আঁকোৱালি লৈ এখন শান্তিপূৰ্ণ মানৱ সমাজ গঢ়াৰ যাত্ৰাত আগবাঢ়িছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সেয়েহে বাপুজীৰ পৱিত্ৰ জন্ম জয়ন্তীৰ দিনটোক আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস হিচাপে ৰাষ্ট্ৰসংঘই পালনৰ ব্যৱস্থা কৰিছে বুলিও তেওঁ কয়। য'তেই পৰিষ্কাৰ তাতেই সংস্কাৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বাপুজীৰ আদৰ্শৰে ভাৰতবৰ্ষক বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ প্ৰতি দেশৰ জনগণে সঁহাৰি প্ৰদান কৰিছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে কৰ্ম সংস্কৃতিৰ দ্বাৰা উৎপাদন বৃদ্ধি কৰি ৰাজ্যখনক এখন শক্তিশালী ৰাজ্য হিচাপে পৰিগণিত কৰাৰ বাবে আজিৰ এই পৱিত্ৰক্ষণতে সকলোকে সংকল্পবদ্ধ হ'বলৈ আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলা কলিতাই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে একেৰাহে চাৰিবাৰকৈ খাদী আৰু গ্ৰামোদ্যোগৰ দ্বাৰা আয়োজিত গান্ধী জয়ন্তী অনুষ্ঠানত অংশ গ্ৰহণ কৰি অসম খাদী আৰু গ্ৰামোদ্যোগ প্ৰতিষ্ঠানৰ বিষয়া আৰু কৰ্মচাৰীসকলক এই দিশত উৎসাহিত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অধ্যক্ষ গৰাকীয়ে বিগত সময়ছোৱাত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডক স্বাৱলম্বী কৰাৰ দিশত লোৱা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি ২০২২ অথবা ২০২৩ চনৰ ভিতৰত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ড সকলো দিশতে স্বাৱলম্বী হ'ব পাৰিব বুলিও কয়। অধ্যক্ষ গৰাকীয়ে ব'ৰ্ডৰ বিষয়া-কৰ্মচাৰীসকলক নতুন প্ৰতিশ্ৰুতি আৰু উদ্যমেৰে খাদী ব'ৰ্ডৰ জয় যাত্ৰাৰ সূচনা কৰাৰ বাবেও আহ্বান জনায়।

অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ মুখ্যকাৰ্যবাহী বিষয়া জয়ন্ত কুমাৰ গোস্বামীয়ে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত হস্ত তাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ আয়ুক্ত সচিব গৌৰৱ বোথ্ৰাইও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, খাদী আৰু ভিলেজ ইণ্ডাষ্ট্ৰীজ কমিশ্যনৰ সঞ্চালককে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বঃভাঃ**
**২/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in